জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩৮/২০২০

শ্ৰীৰামপুৰ গে’টৰ স্ক্ৰীনিং কেম্প পৰিদৰ্শন কৰি পৰীক্ষণ কাৰ্যৰ চৰজমিন বুজ ল’লে মুখ্যমন্ত্ৰীয়ে

# অসম-বংগ সীমান্তৰ সোণকোষ নদী তথা অন্যান্য স্পৰ্শকাতৰ এলেকাৰে কোনো ব্যক্তিয়ে যাতে অবৈধভাৱে অসমত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## বৰ্তমানৰ সময় অতি স্পৰ্শকাতৰ, ৰাইজ সচেষ্ট হৈ থাকিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ মে’ ঃ** ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা শ্ৰীৰামপুৰ গে’ট, ছাগলীয়া গে’ট তথা ইয়াৰ দাঁতিকাষৰীয়া অন্যান্য উপপথেৰে যাতে কোনোধৰণৰ স্বাস্থ্য পৰীক্ষা অবিহনে অবৈধভাৱে মানুহে অসমত প্ৰৱেশ কৰিব নোৱাৰে, তাৰ প্ৰতি অহৰ্নিশে তীক্ষ্ণ দৃষ্টি ৰখাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কোকৰাঝাৰ আৰু ধুবুৰী জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়ে। আজি শ্ৰীৰামপুৰ গে’টৰ স্ক্ৰীনিং কেম্প পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ প্ৰতিখন জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক জনসাধাৰণে যাতে লক্‌ডাউনৰ সময়ছোৱাত সামাজিক দূৰত্বকে ধৰি অন্যান্য বিধি-বিধান মানি চলে সেইটো উপায়ুক্তভাৱে নিৰীক্ষণৰ বাবে এন চি চি, স্কাউট এণ্ড গাইডৰ লেখীয়া স্বেচ্ছাসেৱী সংগঠনৰ সৈতে মিলিত প্ৰচেষ্টাৰে পদক্ষেপ ল’বলৈও নিৰ্দেশ দিয়ে।

আজিৰ পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে শ্ৰীৰামপুৰ গে’টত নিয়োজিত হৈ থকা স্বাস্থ্য বিভাগ, পৰিবহন বিভাগ আৰু আৰক্ষী প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীৰ সৈতে মত-বিনিময় কৰাৰ উপৰি তেওঁলোকে যাতে অসমলৈ প্ৰৱেশ কৰা প্ৰতিগৰাকী ব্যক্তি তথা যান-বাহনৰ চালক আৰু কৰ্মচাৰীৰ স্বাস্থ্য পৰীক্ষাকে ধৰি অন্যান্য পৰীক্ষা নিষ্ঠাৰে কৰে তাৰ বাবেও নিৰ্দেশ দিয়ে। ধুবুৰী জিলাৰ উপায়ুক্তগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে যে ১৫ টা স্পৰ্শকাতৰ অঞ্চল নিৰীক্ষণৰ বাবে গাঁওৰক্ষী বাহিনী, আৰক্ষীৰ উপৰি চি আৰ পি এফৰ কোম্পানীও নিয়োগ কৰা হৈছে। উপায়ুক্তগৰাকীয়ে লগতে কয় যে ১ হাজাৰ গৰাকী ব্যক্তিক কুৱাৰেণ্টাইন কৰিব পৰাকৈ প্ৰশাসনে ইতিমধ্যে ছাগলীয়া গেটত ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে কোকৰাঝাৰ জিলাৰ উপায়ুক্তগৰাকীয়ে কয় যে সোণকোষ নদী অতিক্ৰম কৰি কোনো ব্যক্তিয়ে যাতে অবৈধভাৱে অসমত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে আৰক্ষীৰ লগতে চি আৰ পি এফৰ এটা কোম্পানীও নিয়োগ কৰা হৈছে। উল্লেখ্য যে কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰ গে’টেৰে লক্‌ডাউনৰ সময়ত ৩২,৮৮৭ খন সামগ্ৰী কঢ়িওৱা গাড়ী অসমত প্ৰৱেশ কৰিছে।

পৰিদৰ্শনস্থলীত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে তৃতীয় পৰ্যায়ৰ লক্‌ডাউনত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে প্ৰদান কৰা নীতি-নিৰ্দেশনা ৰাজ্য চৰকাৰে নিষ্ঠাৰে পালনৰ পদক্ষেপ লৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে লক্‌ডাউনৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত আবদ্ধ

হৈ থকা অসমৰ যিসকল লোকে ৰাজ্যখনলৈ ঘূৰি আহিবলৈ ইচ্ছা প্ৰকাশ কৰিছে, তেওঁলোকক অনুমতি প্ৰদান কৰা হৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলোধৰণৰ সাৱধানতা অৱলম্বন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ আৰু ছাগলীয়া গে'টত ৰাজ্য চৰকাৰৰ স্বাস্থ্য, পৰিবহন আৰু গৃহ বিভাগে ধুবুৰী আৰু কোকৰাঝাৰ জিলা প্ৰশাসনৰ সহযোগত কৰণীয় সকলোখিনি কাম কৰি আছে। বাহিৰৰ পৰা অহা প্ৰতিগৰাকী ব্যক্তিৰ স্বাস্থ্য পৰীক্ষাৰ বাবে স্বাস্থ্য বিভাগে ইতিমধ্যে প্ৰয়োজনীয় চিকিৎসক, নাৰ্চ, এম পি ডব্লিউ কৰ্মী ইত্যাদিৰ ব্যৱস্থা কৰিছে। সমান্তৰালভাৱে গৃহ বিভাগৰ হৈ আৰক্ষী বাহিনীয়েও যিখিনি চোৱাচিতা কৰাৰ দৰকাৰ সেইখিনি কৰি আছে। পৰিবহন বিভাগেও অসমলৈ সোমোৱা যান-বাহনৰ নথি পত্ৰকে ধৰি সকলো পৰীক্ষণ কাৰ্য চলাই আছে বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ আটাইকেইটা বিভাগে সন্মিলিতভাৱে অহৰ্নিশে এই পৰীক্ষা কাৰ্য নিষ্ঠাৰে চলাই আছে। শ্ৰীৰামপুৰ আৰু ছাগলীয়া গে'ট তথা বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্তৰ্গত সীমামুৰীয়া ৰাজ্যকেইখনৰ সৈতে থকা বিভিন্ন গে'টত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক মুখ্যমন্ত্ৰীয়ে আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে বিষয়টোৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁ নিজেই শ্ৰীৰামপুৰ গে'টলৈ আহি এই সম্বন্ধে চৰজমিন পৰীক্ষা কৰিছে। শ্ৰীৰামপুৰ গে'ট অবিহনে সোণকোষ নদীৰ পাৰেদি যাতে কোনো ব্যক্তিয়ে অবৈধভাৱে অসমত প্ৰৱেশ কৰিব নোৱাৰে, তাৰ বাবে কোকৰাঝাৰ আৰক্ষী আৰু জিলা প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই পথছোৱাত অহৰ্নিশে নিৰীক্ষণ কৰাৰ বাবে ইতিমধ্যে এক বিশেষ বাহিনী নিয়োজিত কৰা হৈছে বুলিও জিলা প্ৰশাসনৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীক অৱগত কৰা হয়। ঠিক তেনেদৰে ছাগলীয়া গে'টৰ আশে-পাশে থকা ১৫ টা স্পৰ্শকাতৰ অঞ্চলৰ মাজেৰেও যাতে কোনো মানুহে অসমত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে দিনে-নিশাই আৰক্ষী তথা ধুবুৰী জিলা প্ৰশাসনে পহৰাৰ ব্যৱস্থা কৰিছে বুলিও মুখ্যমন্ত্ৰীক অৱগত কৰে।

কোনো লোকেই যাতে স্বাস্থ্যপৰীক্ষা অবিহনে অবৈধভাৱে প্ৰৱেশ কৰি আমাৰ ৰাজ্যখনত কৰ'না মহামাৰী সংক্ৰমণ বিয়পাব নোৱাৰে, তাৰ বাবে এইবোৰ ব্যৱস্থা কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কৰ'না ভাইৰাছৰ ক্ষেত্ৰত জনসাধাৰণে যদি স্বাস্থ্য বিভাগে প্ৰদান কৰা বিধি-বিধান মানি নচলে, তেতিয়া হ'লে অকল চৰকাৰে এই ৰোগৰ সংক্ৰমণ প্ৰতিহত কৰিব নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক সামাজিক দূৰত্ব তথা অন্যান্য বিধি-বিধানসমূহ সঠিকভাৱে পালন কৰি নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ আহ্বান জনায়। বৰ্তমানৰ সময় অত্যন্ত স্পৰ্শকাতৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণে এতিয়া যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছে, কিন্তু তথাপিও এই ৰোগৰ সংক্ৰমণ প্ৰতিহত কৰিব লাগিলে স্বাস্থ্য বিভাগে প্ৰদান কৰা নিৰ্দেশনাসমূহ আমি উপযুক্তভাৱে মানি চলিবই লাগিব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম, ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, বিধায়কসকল ক্ৰমে বিমল বৰা, মৃণাল শইকীয়া, অশোক কুমাৰ সিংহী, মাজেন্দ্ৰ নাৰ্জাৰী, প্ৰাক্তন বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰী, কোকৰাঝাৰ জিলাৰ উপায়ুক্ত পাৰ্থপ্ৰতিম মজুমদাৰ, ধুবুৰী জিলাৰ

উপায়ুক্ত অনন্ত লাল গিয়ানি, বিটিচিৰ প্ৰধান সচিব সিদ্ধাৰ্থ সিং, বিটিচিৰ আই জি পি অনুৰাগ আগৰৱালাকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বিঃবঃ/ পুঃডেঃ / বঃভাঃ / প্ৰঃ কুঃবঃ**
**০৬/০৫/২০২০**